[19-HBPGKOW–M3S(O) 20M]

MA 3rd Semester (Old) Exam., 2019 (W)

ASSAMESE

[MAS (S3) 11 (Lang)]

(পালি-প্রাকৃত-অপভ্রংশ ভাষা পাঠ আৰু তুলনামূলক ব্যাকৰণ)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) ভাৰতীয় আৰ্যভাষাৰ বিৱৰ্তনৰ ইতিহাসক কেইটা ভাগত ভাগ কৰা হৈছে আৰু ভাগকেইটা কি কি, লিখক।

(b) সম্ৰাট অশোকৰ লিপিযুক্ত স্তম্ভানুশাসনসমূহ ক'ত ক'ত পোৱা যায়, লিখক।

(c) 'গাহাসত্তসঈ'ৰ সংকলক কোন? ইয়াত সৰ্বমুঠ কিমানটা গাথা সংকলিত হৈছে?

(d) 'সন্দেশ ৰাসক' কাব্যখন কি ভাষাত ৰচিত? কাব্যখন কেইটা প্ৰক্ৰমত বিভক্ত?

(e) সংস্কৃত ভাষাত স্ৱৰধ্বনিৰ সংখ্যা কিমান? পালি-প্ৰাকৃত-অপভ্রংশত কেইটা স্ৱৰধ্বনি ৰক্ষিত হৈছে, লিখক।

(f) সংস্কৃতত সন্ধি কেই প্ৰকাৰৰ? সংস্কৃত সন্ধিৰ প্ৰকাৰসমূহ উল্লেখ কৰক।

2. তলৰ যি কোনো **তিনিছোৱা** অসমীয়ালৈ অনুবাদ কৰক আৰু তলত আঁচটনা শব্দকেইটাৰ সংস্কৃত ৰূপ আৰু অসমীয়া অৰ্থ লিখক : 4×3=12

(a) বহুকং হি দোসং সমাজম্হি পসতি দেৱান প্ৰিয়ো প্ৰিয়দসি ৰাজা। অস্তি পি তু একসা সমাজো সাধুমতা দেৱানংপ্ৰিয়স প্ৰিয়দসিনো ৰাঞো।

(b) ফন্দনং চপলং চিত্তং দূৰক্খং দুন্নিৱাৰয়ং উজুং কৰোতি মেধাৱী উসুকাৰো'ৰ তেজনং।

(Turn Over)

(c) সো তুজ্ঝ কএ সুন্দৰী তহ ছীনো সুমাইলো হলিঅউত্তো।
জহ্ সে মচ্ছৰিণীএ ৰি দোচ্চং জআএ পড়িবন্ন ॥

(d) ৰক্ষিণৌ : (পুৰুষং তাড়ায়িত্বা) হণ্ডে কুম্ভীলআ,
কধেহি কহিং তুএ এশে মহালদনভাশুলে
উক্কিণামক্খলে লাঅকীএ অঙ্গুলীঅএ
শমাশাদিদে।

3. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) সংস্কৃত ভাষাৰ স্ৱৰধ্ৱনিসমূহ পালিত কিদৰে পৰিৱৰ্তন হ'ল তাৰ বিষয়ে এটি আলোচনা প্ৰস্তুত কৰক।

(b) সাহিত্যিক প্ৰাকৃতসমূহক কেইটা ভাগত ভাগ কৰা হৈছে? যি কোনো এটা ভাগৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য আলোচনা কৰক।

(c) 'সন্দেশ ৰাসক'ৰ বিষয়ৱস্তুৰ আভাস দাঙি ধৰি ইয়াৰ সাহিত্যিক সৌন্দৰ্য বিচাৰ কৰক।

(d) সংস্কৃতত কেইবিধ বচন পোৱা যায়? সেই আটাইবোৰ বচন পালি-প্ৰাকৃতত ৰক্ষিত হৈছেনে? উপযুক্ত উদাহৰণেৰে বুজাই লিখক।

4. তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০০ শব্দৰ ভিতৰত) : 10×4=40

(a) ধম্মপদৰ নামকৰণ, ৰচনাকাল আৰু বিষয়ৱস্তু সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

(b) কীৰ্তিলতা কাব্যৰ কবি পৰিচয় দাঙি ধৰি ইয়াৰ কাব্যিক সৌন্দৰ্যৰ বিষয়ে এটি নিৱন্ধ যুগুত কৰক।

(c) মধ্যভাৰতীয় আৰ্যভাষাৰ যুগবিভাজন কৰি প্ৰাকৃত ভাষাৰ সাধাৰণ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

(d) সংস্কৃত আৰু পালি-প্ৰাকৃতৰ ব্যঞ্জনধ্ৱনিৰ তালিকা দুখন প্ৰস্তুত কৰি এটি তুলনামূলক আলোচনা দাঙি ধৰক।

(e) সংস্কৃতৰ ধাতুবোৰক প্ৰধানকৈ কেইটা ভাগত ভগোৱা হৈছে? পালি-প্ৰাকৃতত এনে বিভাজন পোৱা যায়নে, উপযুক্ত উদাহৰণেৰে এটি আলোচনা আগবঢ়াওক।

★★★